# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 19-08-2026
**Time :** 0705 HRS.

ASSAMESE NSD MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। দেশজুৰি পৰিয়ালসমূহক পি এন জি সংযোগ প্ৰদানৰ বাবে কেন্দ্ৰীয় চৰকাৰে এটা উদগণিমূলক আঁচনিত অনুমোদন জনাইছে।

২। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই পৰীক্ষা পৰিচালনাকাৰী দলৰ ৬০০ গৰাকী বিশেষজ্ঞক সলনি কৰি দলটোক নতুন ৰূপত গঢ়ি তুলিছে।

৩। অসম মন্ত্ৰীসভাই কালি অসম ৰাজ্যিক শিশু সুৰক্ষা নীতি ২০২৬ত অনুমোদন জনায়।

৪। ভাৰত আৰু জাপানৰ ক্ৰমবৰ্ধমান অংশীদাৰিত্বই জাপানৰ ব্যৱসায়ীসকলক ভাৰতত বিনিয়োগৰ বাবে আগ্ৰহী কৰি তুলিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলে প্ৰকাশ কৰিছে।

*আৰু*

৫। বি ডব্লিউ এফ বেডমিণ্টন বিশ্ব চেম্পিয়নশ্বিপত পুৰুষৰ ছিংগলছত লক্ষ্য সেন দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে।

ooooo

দেশজুৰি পৰিয়ালসমূহক নিৰাপদ, স্বচ্ছ আৰু সুলভ মূল্যৰ ৰন্ধন গেছ পাইপযোগে যোগানৰ লক্ষ্যৰে ঘৰুৱা পি এন জি সংযোগ প্ৰদানৰ বাবে কেন্দ্ৰীয় চৰকাৰে এটা উদগণিমূলক আঁচনিত অনুমোদন জনাইছে। অহা ১ ছেপ্তেম্বৰৰ পৰা এই আঁচন কাৰ্যকৰী হ'ব। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে সক্ৰিয়া পি এন জি সংযোগ ব্যৱস্থা দ্ৰুতভাৱে কাৰ্যকৰী কৰাৰ বাবে আৰু অধিক সংখ্যক পৰিয়ালে শীঘ্ৰে নিজৰ পাকঘৰত পাইপযুক্ত প্ৰাকৃতিক গেছ ব্যৱহাৰ কৰিব পৰাকৈ এই আঁচনিখন ৰূপায়ণ কৰা হ'ব। সম্প্ৰতি সমগ্ৰ দেশত ১ কোটি ৭৪ লাখ ঘৰুৱা পি এন জি সংযোগ আছে। মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে নতুন আঁচনিখনে মহানগৰ গেছ বিতৰণ কোম্পানীসমূহক উদগণিমূলক ধনৰাশি প্ৰদানেৰে পি এন জি নেটৱৰ্ক ন-ন স্থানলৈ সম্প্ৰসাৰণ কৰাৰ ব্যৱস্থা কৰিছে। মন্ত্ৰালয়ে কয়, যে পাইপযুক্ত প্ৰাকৃতিক গেছ অৰ্থাৎ পি এন জি ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰ আৰু পৰম্পৰাগত ৰন্ধন ব্যৱস্থাত ব্যৱহৃত ইন্ধনতকৈ অধিক নিৰাপদ, পৰিষ্কাৰ আৰু সুবিধাজনক। এই আঁচনি ছমাহৰ দুটা ভাগত ৰূপায়ণ কৰা হ'ব।

ooooo

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা— এন টি এই ইয়াৰ পৰীক্ষা পৰিচালনাকাৰী দলৰ ৬০০ গৰাকী বিশেষজ্ঞক সলনি কৰি নতুন বিশেষজ্ঞ নিয়োগেৰে দলটোক নতুন ৰূপত গঢ়ি তুলিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে শিক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে পৰীক্ষাৰ প্ৰশ্নকাকত চালিজাৰি চোৰা ব্যৱস্থা শক্তিশালী কৰাৰ বাবে চাৰিতৰপীয়া নিৰীক্ষণ ব্যৱস্থা গঢ়ি তোলা হ'ব। পৰৱৰ্তী ২-৩ সপ্তাহৰ ভিতৰত এন টি এই ২০ৰ পৰা ২৫ গৰাকী বিষয়াক নিযুক্তি দিব বুলিও প্ৰকাশ কৰিছে। তদুপৰি এন টি এৰ কাৰ্যালয়সমূহ নতুন চৌহদলৈ স্থানান্তৰিত কৰি সেই স্থানসমূহত চি আই এছ এফ দলৰ দ্বাৰা নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰা হ'ব।

কেন্দ্ৰীয় শিক্ষামন্ত্ৰী প্ৰহ্লাদ যোশীয়ে নিৰ্দেশমৰ্মে এন টি এই পৰীক্ষাসমূহ নিয়াৰিকৈ পৰিচালনাৰ বাবে প্ৰয়োজনীয় নিৰাপত্তা ব্যৱস্থা আৰু আন্তঃগাঁথনি শক্তিশালী কৰাৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰিছে।

০০০০০

অসম মন্ত্ৰীসভাই কালি শিশুসকলৰ কল্যাণ, সুৰক্ষা আৰু নিৰাপত্তা নিশ্চিত কৰাৰ বাবে অসম ৰাজ্যিক শিশু সুৰক্ষা নীতি ২০২৬ত অনুমোদন জনায়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই বিষয়ে সিদ্ধান্ত লোৱা হয়। কৈশোৰ ন্যায়, শিশুৰ যত্ন আৰু সুৰক্ষা আইন ২০১৫ আৰু পকছ' নীতি ২০২০ৰ ৰূপায়ণৰ জৰিয়তে শিশু সুৰক্ষা নীতি কাৰ্যকৰী কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয়, যে এই নীতিয়ে শিশুৰ সুৰক্ষাৰ ক্ষেত্ৰত ৰাজ্যজুৰি উমৈহতীয়া শক্তিশালী ব্যৱস্থা গঢ়ি তোলাত সহায় কৰিব। মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত ড০ শৰ্মাই কয় যে মন্ত্ৰীসভাই অসম ব্যক্তিগত প্ৰশিক্ষণ প্ৰতিষ্ঠান নিয়ন্ত্ৰণ আৰু শিক্ষাৰ্থীৰ মানসিক স্বাস্থ্য সুৰক্ষা বিধি, ২০২৬ প্ৰণয়নৰ প্ৰস্তাৱত অনুমোদন জনায়। এই অনুসৰি ৫০ গৰাকী বা তাতকৈ অধিক শিক্ষাৰ্থী থকা যিকোনো প্ৰশিক্ষণ প্ৰতিষ্ঠানে জিলা আয়ুক্তৰ ওচৰত পঞ্জীয়ন কৰিব লাগিব।

**বাইট (হিমন্ত)**

এনে প্ৰতিষ্ঠানসমূহে অনুসূচিত জাতি, অনুসূচিত জনজাতি, অন্যান্য পিছপৰা শ্ৰেণী আৰু আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ শিক্ষাৰ্থী, বিশেষভাৱে সক্ষম, এল জি বি টি কিউ প্লাছ আৰু মানসিক আঘাত, আপোনজনক হেৰুওৱা বা পূৰ্বে আত্মহত্যাৰ চেষ্টা কৰা শিক্ষাৰ্থীৰ বাবে সংবেদনশীল, বৈষম্যহীন আৰু নিৰাপদ পৰিবেশ নিশ্চিত কৰিব লাগিব।

মন্ত্ৰীসভাই মিনি সচিবালয় বৰাক উপত্যকাৰ নাম সলনি কৰি অসম সচিবালয় বৰাক উপত্যকা শিলচৰ হিচাপে নামকৰণৰ প্ৰস্তাৱত অনুমোদন দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে অসম সচিবালয় বৰাক উপত্যকাত ৩২টা গুৰুত্বপূৰ্ণ আৰু প্ৰধান বিভাগৰ কাম-কাজ পৰিচালনা কৰা হ'ব। ইয়াৰ উপৰি মন্ত্ৰীসভাই কালিৰ বৈঠকত অসম ঔদ্যোগিক সম্পৰ্ক বিধি ২০২৬ৰ অধিসূচনা জাৰি কৰাৰ প্ৰস্তাৱতো অনুমোদন দিয়ে। ৰাজ্যত হাইড্ৰ'কাৰ্বন অন্বেষণৰ গতিবিধিৰ প্ৰতি সমৰ্থন আগবঢ়োৱাৰ উদ্দেশ্যে মন্ত্ৰীসভাই অসম হাইড্ৰ'কাৰ্বন অন্বেষণ, উৎপাদন আৰু উজনিৰ পৰিবেশতন্ত্ৰ উন্নয়ন নীতি ২০২৬ত অনুমোদন জনায়।

০০০০০

মধ্য আফ্ৰিকাৰ পশ্চিম অঞ্চলত এটা হস্তশিল্পভিত্তিক সোণ খননস্থলী খহি পৰাত কমেও ৩০ জন খননকাৰীৰ মৃত্যু হোৱাৰ লগতে আন কেইবাগৰাকীও খনিত আবদ্ধ হৈ পৰিছে। কালি পুৱা অঞ্চলটোৰ নানা-মাম্বেৰে প্ৰিফেকচাৰৰ আববা অঞ্চলত খনিটো খহি পৰা বুলি এই দুৰ্ঘটনাত নিৰাপদে উদ্ধাৰ হোৱা এজন লোকে প্ৰকাশ কৰে। আবদ্ধ লোকসকলক উদ্ধাৰ বাবে অভিযান অব্যাহত আছে যদিও তেওঁলোকক জীৱিত অৱস্থাত উদ্ধাৰৰ সম্ভাৱনা ক্ষীণ বুলি প্ৰকাশ কৰা হৈছে। উপ-প্ৰিফেকচাৰৰ উপ-মেয়ৰ ছোলেমান বিয়ে প্ৰকাশ কৰা মতে উদ্ধাৰকাৰী দল আৰু স্থানীয় লোকসকলে কেইবাঘণ্টাজুৰি চেষ্টা চলোৱাৰ অন্তত খহি পৰা খনিটোৰ পৰা মৃতদেহকেইটা উদ্ধাৰ কৰে।

০০০০০

ভাৰত আৰু জাপানৰ ক্ৰমবৰ্ধমান অংশীদাৰিত্বই জাপানৰ ব্যৱসায়ীসকলক ভাৰতত বিনিয়োগৰ বাবে আগ্ৰহী কৰি তুলিছে বুলি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি জাপানৰ এটা প্ৰতিনিধি দলক উদ্দেশি দিয়া ভাষণত শ্ৰীগোৱেলে কয়, যে ভাৰত আৰু জাপানে ভাৰত

প্ৰশান্ত মহাসাগৰীয় অঞ্চলত শান্তি, সম্প্ৰীতি আৰু উন্নয়নৰ উমৈহতীয়া অভিলাষেৰে এটা নিকট আৰু শক্তিশালী সম্পৰ্ক বজাই ৰাখি আহিছে। তেওঁ কয়, যে দেশখনৰ য়ামানাচিৰ পৰা অহা এই প্ৰতিনিধি দলটোৰ ভ্ৰমণে ভাৰতৰ সৈতে দ্বিপাক্ষিক সম্পৰ্ক অধিক সুদৃঢ় হোৱাটোকে প্ৰতিফলিত কৰিছে। ভাৰত আৰু জাপানৰ দ্বিপাক্ষিক বাণিজ্য ২০২৫-২৬ বিত্তীয় বৰ্ষত ২৭ দশমিক ৫ বিলিয়ন ডলাৰলৈ বৃদ্ধি হৈছে আৰু সম্প্ৰতি জাপান ভাৰতৰ পঞ্চম বৃহৎ প্ৰত্যক্ষ বৈদেশিক বিনিয়োগৰ উৎস বুলি শ্ৰীগোৰেলে উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰত আৰু জাপানৰ বৰ্ধিত অংশীদাৰিত্ব বিভিন্ন ক্ষেত্ৰত প্ৰতিফলিত হৈছে। এই প্ৰসংগত তেওঁ মুম্বাই-আহমেদাবাদ উচ্চ গতিসম্পন্ন ৰে'ল প্ৰকল্প, জাপানৰ সাহায্যত দিল্লী, আহমেদাবাদ, বেংগালুৰু আৰু চেন্নাই মেট্ৰ' ব্যৱস্থা তথা ৮ খন ৰাজ্যত ১১ খন জাপানৰ ঔদ্যোগিক নগৰী স্থাপনৰ বিষয়ে উল্লেখ কৰে–

––– **বাইট** –––

ooooo

বি ডব্লিউ এফ বেডমিণ্টন বিশ্ব চেম্পিয়নশ্বিপত পুৰুষৰ একক শাখাত ভাৰতৰ লক্ষ্য সেনে দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। উদ্বোধনী ৰাউণ্ডত তেওঁ অষ্ট্ৰিয়াৰ কলিন্স ফিলিমনক পৰাস্ত কৰে। প্ৰথমখন খেলৰ পিছত ১৬-২১ত পৰাস্ত হৈছিল ভাৰতীয় শ্বাটলাৰগৰাকী। অৱশ্যে তেওঁ পিছৰ দুখন খেলত ২১-৮, ২১-৪ গ'লত একপক্ষীয় জয় লাভ কৰে। মহিলাৰ ডাবলছত ভাৰতৰ ট্ৰিছা জলী আৰু গায়ত্ৰী গোপিচান্দে প্ৰি-কোৱাৰ্টাৰ ফাইনেললৈ আগবাঢ়িছে। ভাৰতীয় যুটিটোৱে আমেৰিকাৰ লৰেন লেম আৰু এলিছন লীক ২১-১৫, ২১-১২ত পৰাস্ত কৰে। ইফালে, ভাৰতীয় মহিলা ডাবলছত কবিপ্ৰিয়া চেলভাম আৰু ছিমৰান সিংঘিৰ যুটিটোৱে বুলগেৰিয়াৰ ষ্টেফানী ষ্ট'ভা আৰু বুলগেৰিয়াৰ গেব্ৰিয়েলা ষ্ট'ৱেভাৰ হাতত ২১-৭, ২১-১৪ত পৰাস্ত হৈ বিশ্ব চেম্পিয়নশ্বিপৰ পৰা বাহিৰ হয়। ইয়াৰ পূৰ্বে ম্যানমাৰৰ থেট হটাৰ থুজাৰক পোনপটীয়া খেলত পৰাস্ত কৰি মহিলাৰ একক শাখাত দ্বিতীয় ৰাউণ্ডত উন্নাটি হুডাই জয়লাভ কৰে। ইফালে ৰোহন কাপুৰ আৰু ৰুথবিকা শিবানী গাড্ডেৰ মিক্সড ডাবলছ শাখাৰ যুটিটোৱে প্ৰথম ৰাউণ্ডত কানাডাৰ জোনাথন লাই আৰু ক্ৰিষ্টাল লাইৰ বিৰুদ্ধে পৰাজয়ৰ সন্মুখীন হ'বলগীয়া হয়। প্ৰথমখন খেলত ২২-২০ গ'লত জয়লাভ কৰাৰ পিছত ভাৰতীয় যুটিটোৱে পৰৱৰ্তী দুখন খেলত ১৯-২১, ১৭-২১ গ'লত পৰাস্ত হয়।

ooooo

আজি নেদাৰলেণ্ডৰ আমষ্টেলভিনত অনুষ্ঠিত হ'বলগীয়া এফ আই এইচ পুৰুষ হকী বিশ্বকাপৰ এখন খেলত ভাৰতীয় পুৰুষৰ দলটোৱে পাকিস্তানৰ মুখামুখি হ'ব আৰু পৰৱৰ্তী ৰাউণ্ডত স্থান লাভৰ বাবে চেষ্টা চলাব। বৰ্তমান দুখন মেচৰ পৰা তিনি পইণ্ট লাভ কৰা ভাৰতক অৰ্হতা নিশ্চিত কৰিবলৈ অন্ততঃ ড্ৰ'ৰ প্ৰয়োজন। বিশ্বৰ ৩ নং স্থানত থকা ইংলেণ্ডৰ হাতত ২-৪ গ'লত পৰাস্ত হোৱাৰ পূৰ্বে ৱেলছৰ বিৰুদ্ধে ৩-১ গ'লত জয়লাভ কৰি দলটোৱে অভিযান আৰম্ভ কৰিছিল। আনহাতে পাকিস্তানে দুখন খেলৰ অন্তত মাত্ৰ এটা পইণ্টহে লাভ কৰিছে। ইতিমধ্যে ইংলেণ্ডে পুল ডিৰ দুয়োখন মেচত জয়লাভ কৰি পৰৱৰ্তী ৰাউণ্ডত নিজৰ স্থান দখল কৰিছে। কালি সন্ধিয়া আমষ্টেলভিনৰ ৱেগেনাৰ হকী ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ পৰ্যায়ৰ দ্বিতীয়খন খেলত ভাৰতীয় মহিলা দলটোৱে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ৬-১ গ'লত জয়লাভ কৰে।

ooooo

টেষ্ট ক্ৰিকেটত ভাৰতে আজি গালে আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত পঞ্চম তথা অন্তিম দিনা শ্ৰীলংকাৰ বিৰুদ্ধে শৃংখলা জয়ৰ চেষ্টা চলাব। শ্ৰীলংকাক ৩৭২ ৰানৰ প্ৰত্যাহ্বানমূলক লক্ষ্য

নিৰ্ধাৰণ কৰি দিয়াৰ পিছত ভাৰতক খেলখন জয় কৰিবলৈ মাত্ৰ ৬টা উইকেটৰ প্ৰয়োজন। চাৰিটা উইকেটৰ বিনিময়ত ৮৪ ৰানত দ্বিতীয় ইনিংছ পুনৰ আৰম্ভ কৰিব আয়োজক দলটোৱে। ভাৰতৰ বলাৰসকলে আগতীয়াকৈ ষ্ট্ৰাইক কৰি শ্ৰীলংকাৰ ইনিংছ সামৰি লোৱাৰ চেষ্টা কৰিব। ইতিমধ্যে মানৱ সুথাৰে দুটা উইকেট দখল কৰাৰ বিপৰীতে মহম্মদ চিৰাজ আৰু প্ৰসিদ্ধ কৃষ্ণই এটাকৈ উইকেট দখল কৰিছে। ইয়াৰ পূৰ্বে ভাৰতে দ্বিতীয় ইনিংছত ১৯৩ ৰান কৰি আউট হৈছিল। ঋষভ পন্টে ৬৯টা বলত ৬৬ ৰান সংগ্ৰহ কৰি অগ্ৰগতি লাভ কৰে। খেলুৱৈগৰাকী টেষ্ট ক্ৰিকেটত ১০০টা ছয় অৰ্জন কৰা প্ৰথমজন ভাৰতীয় বেটছমেন হিচাপেও পৰিগণিত হয়। দেৱদত্ত পাডিক্কালে ৪৪ ৰান সংগ্ৰহ কৰাৰ বিপৰীতে কে এল ৰাহুলে ৩৫ ৰান সংগ্ৰহ কৰে।ভাৰতৰ দ্বিতীয় ইনিংছৰ মুঠ ব্যৱধানত শ্ৰীলংকাই ৩৭২ ৰানৰ লক্ষ্য লাভ কৰে।

০০০০০

সমাপ্ত